# 3 (Sem–5/CBCS) ASM–HC 2

## 2022

## ASSAMESE

## ( Honours )

Paper : ASM–HC–5026

**( অসমীয়া ব্যাকৰণ )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। তলৰ প্ৰশ্নবোৰৰ অতি চমুকৈ উত্তৰ দিয়া (যি কোনো দহটা) : ১×১০=১০

(ক) অসমীয়া ভাষাৰ বিষয়ে অসমীয়া ভাষাত প্ৰথমখন ব্যাকৰণ কোনে ৰচনা কৰিছিল ?

(খ) 'অসমীয়া ভাষাতত্ত্ব আৰু ব্যাকৰণ' গ্ৰন্থখন কাৰ ৰচনা ?

(গ) নোৰম চমস্কীয়ে ৰচনা কৰা এখন গ্ৰন্থৰ নাম লিখা।

(ঘ) অসমীয়া ভাষাৰ শ্ৰুতিধ্বনি দুটা কি কি ?

(ঙ) অসমীয়া ভাষাৰ বিশিষ্ট ব্যঞ্জনধ্বনি কেইটা ?

(চ) কোনবোৰ ধ্বনিয়ে শ্বাসাঘাত বহন কৰিব পাৰে ?

(ছ) অসমীয়া ভাষাৰ যি কোনো এটা নিম্ন স্বৰবৰ্ণ উল্লেখ কৰা।

(জ) অসমীয়া ভাষাত উষ্ম ধ্বনি কেইটা ?

(ঝ) আন্তৰ্জাতিক ধ্বনিলিপি কোনে প্ৰৱৰ্তন কৰিছিল ?

(ঞ) অসমীয়া ভাষাৰ পুৰুষবাচক প্ৰত্যয় এটা লিখা।

(ট) অসমীয়া ভাষাৰ বিভক্তিবিলাকক কেইটা ভাগত ভগাব পাৰি ?

(ঠ) ভাষাৰ নিম্নতম একক কি ?

(ড) কোনবিলাক চিহ্নৰ দ্বাৰা সুৰলহৰ সূচিত হয় ?

(ঢ) অসমীয়া ভাষাৰ বৰ্তমানকালৰ প্ৰথম পুৰুষত ব্যৱহাৰ হোৱা ক্ৰিয়া-বিভক্তিটো কি ?

(ণ) নতুন বাগ্-বিজ্ঞানত বাক্য বিশ্লেষণৰ তাত্ত্বিক দিশৰ দুৱাৰ কোনে মুকলি কৰিছিল ?

(ত) খণ্ডবাক্য একোটা পূৰ্ণ বাক্য হয় নে নহয় ?

(থ) অসমীয়া ভাষাৰ বিষয়ে ইংৰাজী ভাষাত লিখা প্ৰথম ব্যাকৰণখনৰ নাম লিখা।

(দ) বাণীকান্ত কাকতিৰ গৱেষণা গ্ৰন্থখনৰ নাম কি ?

২। তলৰ প্ৰশ্নবোৰৰ চমুকৈ উত্তৰ দিয়া (যি কোনো পাঁচটা) : ২×৫=১০

(ক) সত্যনাথ বৰাই ব্যাকৰণৰ সংজ্ঞা কিদৰে আবঢ়াইছে ?

(খ) ঐতিহাসিক ব্যাকৰণ কাক বোলে ?

(গ) বাগ্‌ধ্বনি বুলিলে কি বুজা ?

(ঘ) স্বৰধ্বনিৰ উচ্চাৰণ কেনেকৈ হয় ?

(ঙ) বিভাজ্য ধ্বনি কেইপ্ৰকাৰৰ আৰু কি কি ?

(চ) বিভক্তি কাক বোলে ?

(ছ) অসমীয়া ভাষাত কেৱল স্ত্ৰী সূচোৱা দুটা শব্দ লিখা।

(জ) ক্ৰিয়া বিভক্তি কাক বোলে ?

(ঝ) ঘোষ আৰু অঘোষ ধ্বনিৰ মাজত পাৰ্থক্য কি, বুজাই লিখা।

(ঞ) অসমীয়া ভাষাৰ বিশিষ্ট কম্পিত আৰু পাৰ্শ্বিক ধ্বনি দুটা কি কি?

৩। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) শ্বাসাঘাত বুলিলে কি বুজা? অসমীয়া ভাষাত শ্বাসাঘাত ব্যৱহাৰ সম্পৰ্কে আলোচনা কৰা।

(খ) ধ্বনি আৰু বৰ্ণ বুলিলে কি বুজা, উদাহৰণসহ লিখা।

(গ) ব্যাকৰণৰ শ্ৰেণীবিভাগৰ যি কোনো তিনি ভাগৰ পৰিচয় দিয়া।

(ঘ) অসমীয়া ভাষাৰ বচন কেনেদৰে সাধন কৰা হয়, আলোচনা কৰা।

(ঙ) অসমীয়া ভাষাৰ কাৰক বাচক বিভক্তি সম্পৰ্কে চমুকৈ লিখা।

(চ) অসমীয়া ভাষাৰ বাক্যক কি কি দিশৰ পৰা শ্ৰেণী-বিভাজন কৰিব পাৰি, উল্লেখ কৰা।

(ছ) অনুক্ৰম বৰ্ণ আৰু উপহিত বৰ্ণ বুলিলে কি বুজা, লিখা।

(জ) সৰল বাক্য কাক বোলে? অসমীয়া ভাষাত সৰল বাক্য কেনেদৰে গঠন কৰিব পাৰি, উদাহৰণসহ লিখা।

৪। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) ব্যাকৰণৰ সংজ্ঞা দাঙি ধৰি অসমীয়া ব্যাকৰণ চৰ্চাৰ ইতিহাস আলোচনা কৰা।

(খ) বৰ্তমানলৈকে প্ৰকাশিত অসমীয়া ব্যাকৰণসমূহে অসমীয়া ভাষাৰ স্বৰূপ উদ্‌ঘাটনত কিমানদূৰ কৃতকাৰ্য হৈছে, আলোচনা কৰা।

(গ) বিশিষ্ট ধ্বনি কাক বোলে? উচ্চাৰণৰ স্থান আৰু ধৰণ অনুসৰি অসমীয়া ভাষাৰ স্বৰধ্বনিসমূহৰ এখন তালিকা প্ৰস্তুত কৰা। অসমীয়া ভাষাত এই ধ্বনিবোৰ লিখিবলৈ কি কি আখৰ ব্যৱহাৰ কৰা হয়?

(ঘ) অসমীয়া ভাষাৰ বিশিষ্ট দন্তমূলীয় ধ্বনি কেইটা আৰু কি কি? উচ্চাৰণৰ স্থান আৰু ধৰণ অনুসৰি সেই ধ্বনিসমূহৰ এখন তালিকা প্ৰস্তুত কৰি অসমীয়া ভাষাত সেই ধ্বনিবোৰ লিখিবলৈ কি কি আখৰ ব্যৱহাৰ কৰা হয়, লিখা।

(ঙ) "এটা ভাষাৰ ব্যাকৰণগত বিষয় অন্য এটা ভাষাত ব্যাকৰণগত বিষয় নহ'বও পাৰে।" অসমীয়া ভাষাৰ উল্লিখনসহ কথাষাৰৰ যুক্তিযুক্ততা বিচাৰ কৰা।

(চ) অসমীয়া ভাষাত বিভিন্ন কাল, পুৰুষ আৰু ভাৱ অনুযায়ী ক্ৰিয়া বিভক্তিসমূহ কেনেদৰে ব্যৱহাৰ হয়, উদাহৰণসহ লিখা।

(ছ) বাচ্য কাক বোলে? বাচ্যৰ ভিত্তিত অসমীয়া ভাষাৰ বাক্যসমূহক কি কি ভাগত ভগাব পাৰি, উদাহৰণসহ বুজাই লিখা।

(জ) "ভাষা বিজ্ঞানৰ মতে আকাংক্ষা, যোগ্যতা আৰু আসত্তি নাথাকিলে বাক্য সম্পূৰ্ণ হ'ব নোৱাৰে"—কথাষাৰৰ যুক্তিযুক্ততা বিচাৰ কৰি এটি আলোচনা দাঙি ধৰা।

(ঝ) খণ্ডবাক্য কাক বোলে? অসমীয়া ভাষাত খণ্ডবাক্যসমূহ কেনেদৰে গঠন হয়, উদাহৰণসহ আলোচনা কৰা।

(ঞ) ৰূপান্তৰ প্ৰক্ৰিয়াৰে কেনেদৰে বাক্য গঠন কৰিব পাৰি, অসমীয়া ভাষাৰ বিশেষ উল্লিখনসহ বিশ্লেষণ কৰা।

★ ★ ★